**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-AUGUST-2026
**Time :** 11.00 AM

# ASSAMESE 11 AM BULLETIN

—————————————————

বিকশিত অসমৰ ভেটি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ ইনফ্ৰা ভিজনৰ অংশ হিচাপে অহা ৫ বছৰত অসমত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্প ৰূপায়ন কৰিবলৈ ৫০ হাজাৰ কোটি টকা বিনিয়োগত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই বৈঠকত স্বচ্ছ শক্তিৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

অহা ১ ছেপ্তেম্বৰত উজনি অসমৰ বান ক্ষতিগ্ৰস্ত চাৰিখন জিলাৰ সাহয্য লাভৰ পৰা বাদ পৰি যোৱা লোকসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। তদুপৰি জীৱন প্ৰেৰণা আঁচনিৰ উপৰি চি এম ফ্লাইট আঁচনিৰ সংশোধিত নীতি অনুসৰি প্ৰথম কিস্তিৰ ধনো ১ ছেপ্তেম্বৰত প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

০০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি জানিব পৰা গৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিবৱতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে। ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়।

০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰ শীতল কুমাৰৰ নেতৃত্বত জিলা আৰক্ষীৰ এটা দলে যোৱা নিশা মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী আছামেৰ আলগা, শিহুমাৰা আৰু

বৰাইৰ আলগা অঞ্চল পৰিদৰ্শন কৰে। আৰক্ষীৰ দলটোৱে শিহুমাৰা গাঁৱত এখন সজাগতামূলক সভাৰ আয়োজন কৰে। সভাত সীমান্ত অঞ্চলত সংঘটিত বিভিন্ন অপৰাধ বিশেষকৈ মাদক দ্ৰব্য সৰবৰাহ, চোৰাং বেহা আৰু অন্যান্য অবৈধ কাৰ্যকলাপ ৰোধ কৰাৰ ক্ষেত্ৰত স্থানীয় ৰাইজৰ সহযোগিতাৰ বাবে আহ্বান জনোৱা হয়। ৰাইজৰ সহযোগিতাৰেহে এই অপৰাধসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব বুলি আৰক্ষীয়ে ব্যক্ত কৰে। সীমান্ত অঞ্চলত অপৰাধমূলক কাৰ্য নিয়ন্ত্ৰণ আৰু নিৰ্মূলৰ ক্ষেত্ৰত এই অঞ্চলৰ বাসিন্দাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰি আৰক্ষীয়ে কোনো সন্দেহজনক গতিবিধি দেখা পালে আৰক্ষীৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ আহ্বান জনায়। কাৰ্যসূচীত জিলা আৰক্ষীৰ লগতে সীমান্ত সুৰক্ষা বাহিনী, স্থানীয় পঞ্চায়ত প্ৰতিনিধি আৰু গাঁওবাসী উপস্থিত থাকে।

০০০০০০

কাছাৰ আৰক্ষীয়ে বৰখলা আৰক্ষী থানাৰ অন্তৰ্গত মইনাগড় অঞ্চলৰ দলুত অভিযান চলাই যোৱা নিশা বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰে। মিজোৰামৰ পৰা আহি থকা এখন গাড়ীত তালাচী চলাই আৰক্ষীয়ে প্ৰায় ৮০ হাজাৰ য়াবা টেবলেট জব্দ কৰে। টেবলেটখিনিৰ আনুমানিক বজাৰ মূল্য ১৬ কোটি টকা বুলি আৰক্ষীয়ে জনাইছে। ঘটনা সংক্ৰান্তত ধলাই থানাৰ জামালপুৰৰ ছমচুল হুছেইন লস্কৰ নামৰ এজন লোকক আটক কৰে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

০০০০০০

টিংখাং সমজিলাৰ প্ৰশাসনৰ উদ্যোগত আৰু ৰাজগড়ৰ ড০ ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰৰ সহযোগত অহা ৭ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে স্থানীয় বিধায়ক তথা সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই কালি টিংখাং সমজিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী, দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া তথা অঞ্চলটোৰ ৰাইজৰ সৈতে আলোচনাত মিলিত হয়। ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰা সন্দৰ্ভত সকলোৱে দিহা-পৰামৰ্শ লোৱা হয়। আলোচনাত সমজিলা আয়ুক্ত পৰিক্ষিত ফুকন, খণ্ড উন্নয়ন বিষয়া ভাস্কৰ শইকীয়াকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**